**25T ECON**

# 2015

# ECONOMICS

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

*Contd.*

## PART A — ক অংশ

1. (a) Fill in the blank :
In economics, it is generally assumed that the consumer is a .................. individual. 1

খালী ঠাই পূৰ্ণ কৰা ঃ

অৰ্থনীতিত সাধাৰণতে ধৰা হয় যে ভোক্তা এজন .................. ব্যক্তি।

(b) Define substitute goods. 1

বিকল্প দ্ৰব্যৰ সংজ্ঞা দিয়া।

(c) Define inferior goods. 1

নিকৃষ্ট দ্ৰব্যৰ সংজ্ঞা দিয়া।

(d) In which form of market, products are homogeneous ? 1

কেনেধৰণৰ বজাৰ ব্যৱস্থাত উৎপাদিত বস্তুসমূহ পূৰ্ণসাদৃশ্যযুক্ত?

(e) What is the shape of supply curve in the market period ? 1

বজাৰকালীন যোগান ৰেখাডালৰ আকৃতি কেনে?

(f) What is meant by equilibrium price ? 1

ভাৰসাম্য দৰ বুলিলে কি বুজায়?

2. Give the concept of centrally planned economy. 2

কেন্দ্ৰীয় পৰিকল্পিত অৰ্থব্যৱস্থাৰ ধাৰণাটো আগবঢ়োৱা।

3. Distinguish between positive economics and normative economics. 2

যথাৰ্থ আৰু আদৰ্শগত অৰ্থবিজ্ঞানৰ পাৰ্থক্য লিখা।

4. Draw a vertical demand curve and state the nature of price elasticity on it. 2

এডাল উলম্ব চাহিদা ৰেখা অঙ্কণ কৰা আৰু তাৰ দৰ স্থিতিস্থাপকতাৰ প্ৰকৃতি লিখা।

5. State *any two* assumptions of the law of demand. 2

চাহিদা বিধিটোৰ *যিকোনো দুটা* অভিধাৰণা লিখা।

6. What is shut down point of a firm? 2

ব্যৱসায় প্ৰতিষ্ঠান এখনৰ উৎপাদন বন্ধ বিন্দু কি?

7. Total fixed cost of a firm is Rs. 100 when it produces 15 units of output. If the level of output increases to 30 units, what will be the fixed cost in the short-run? Give reason for your answer. 2

ব্যৱসায় প্ৰতিষ্ঠান এখনে 15 একক উৎপাদন কৰোঁতে মুঠ স্থিৰ ব্যয় 100 টকা হয়। উৎপাদনৰ পৰিমাণ 30 এককলৈ বাঢ়িলে, হ্ৰস্বকালত স্থিৰ ব্যয় কিমান হ'ব? তোমাৰ উত্তৰৰ সপক্ষে যুক্তি দিয়া।

8. Distinguish between change in quantity supplied and change in supply. 4

যোগানৰ পৰিমাণৰ পৰিবৰ্তন আৰু যোগানৰ পৰিবৰ্তনৰ মাজত পাৰ্থক্য দেখুওৱা।

9. Write down *four* characteristics of perfectly competitive market. 4

পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ *চাৰিটা* বৈশিষ্ট্য লিখা।

10. Explain with the help of a diagram how the shifting of the demand curve for a commodity affects the equilibrium price and output. 4

সামগ্ৰী এবিধৰ চাহিদা ৰেখাৰ স্থানান্তৰণে ভাৰসাম্য দাম আৰু পৰিমাণৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলায় তাক চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

***OR / অথবা***

What is change in demand? State *any three* factors that can cause shift in the demand curve. 1+3=4

চাহিদাৰ পৰিবৰ্তন কি? চাহিদা ৰেখাৰ স্থানান্তৰণ ঘটাব পৰা *যি কোনো তিনিটা* কাৰণ লিখা।

11. State the law of diminishing returns. State the reason behind this law. 1+3=4

উৎপাদনৰ ক্ৰমহ্ৰাসমান প্ৰতিদানবিধিটো লিখা। বিধিটোৰ আঁৰৰ কাৰণ দৰ্শোৱা।

*OR / অথবা*

Explain the relationship between Marginal Product (MP) and Total Product (TP) of an input.

এটা উপাদানৰ প্ৰান্তিক উৎপাদন (MP) আৰু সৰ্বমুঠ উৎপাদন (TP)ৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা।

12. Distinguish between explicit cost and implicit cost. Give *one* example of each of them. 2+2=4

প্ৰকাশ্য আৰু অন্তৰ্নিহিত ব্যয়ৰ পাৰ্থক্য লিখা। প্ৰত্যেকৰে এটাকৈ উদাহৰণ দিয়া।

13. Explain with the help of a diagram why at consumer's optimum point the budget line should be tangent to an indifference curve. 6

উপভোক্তাৰ সৰ্বোত্তম বিন্দুত বাজেট ৰেখা কিয় নিৰপেক্ষ ৰেখা এডালৰ স্পৰ্শক হ'ব লাগে চিত্ৰৰ সহায়ত ব্যাখ্যা কৰা।

*OR / অথবা*

Explain the conditions for profit maximisation of a firm.

ব্যৱসায় প্ৰতিষ্ঠান এখনৰ লাভ সৰ্বোচ্চিকৰণৰ স্বৰ্ত সমূহ ব্যাখ্যা কৰা।

14. Show with the help of diagram how the market demand curve can be derived from individual demand curves. 6

ব্যক্তিগত চাহিদা ৰেখাৰ পৰা কেনেকৈ বজাৰ চাহিদা ৰেখা পাব পাৰি চিত্ৰৰ সহায়েৰে দেখুওৱা।

*OR / অথবা*

Explain the relation among TR, AR and MR of a monopolist with the help of a hypothetical table and a diagram.

এখন কাল্পনিক তালিকা আৰু চিত্ৰৰ সহায়ত একচেতিয়া ব্যৱসায়ী এজনৰ মুঠ আয় (TR), গড় আয় (AR) আৰু প্ৰান্তিক আয় (MR)ৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰা।

## PART B — খ অংশ

15\. *(a)* What is macroeconomics? 1

সমষ্টিবাদী অৰ্থবিজ্ঞান কি?

*(b)* What is circular flow of income? 1

আয়ৰ চক্ৰীয় প্ৰবাহ কি?

*(c)* Define intermediate goods. 1

মধ্যৱৰ্তী দ্ৰব্যৰ সংজ্ঞা দিয়া।

*(d)* What is velocity of circulation of money? 1

মুদ্ৰাৰ প্ৰচলন বেগ কি?

*(e)* "The speculative demand for money is ---------------- (directly / inversely) related to the market rate of interest." — *(Fill in the blank by choosing the correct word from the bracket)* 1

"মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা বজাৰ সুদৰ হাৰৰ সৈতে ---------------- (প্ৰত্যক্ষভাৱে / বিপৰীত ক্ৰমে) সম্পৰ্কিত।" — *(বন্ধনীৰ ভিতৰৰ পৰা শুদ্ধ শব্দটো বাচি উলিয়াই খালী ঠাই পূৰ্ণ কৰা)*

*(f)* What is foreign exchange rate? 1

বৈদেশিক বিনিময় হাৰ কি?

16\. Explain the concept of depreciation in the context of national income accounting. 2

ৰাষ্ট্ৰীয় আয় গণনাৰ প্ৰসঙ্গত ক্ষয় ক্ষতিৰ ধাৰণাটো ব্যাখ্যা কৰা।

17\. If the marginal propensity to consume (C) of an economy is 0·9, find out the value of the income multiplier. 2

এটা অৰ্থব্যৱস্থাত যদি প্ৰান্তিক ভোগ প্ৰৱণতা (C) 0·9 হয়, তেনেহ'লে আয় গুণকৰ মান উলিওৱা।

18\. Distinguish between consumption goods and capital goods. 2

ভোগাবস্তু আৰু মূলধনজাতীয় বস্তুৰ মাজৰ পাৰ্থক্য দেখুওৱা।

19\. Explain the significance of revenue deficit. 2

ৰাজহ ঘাটিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

20. Define private goods and public goods. 2

ব্যক্তিগত দ্ৰব্য আৰু ৰাজহুৱা দ্ৰব্যৰ সংজ্ঞা দিয়া।

21. State *two* merits of fixed exchange rate. 2

স্থিৰ বিনিময় হাৰৰ *দুটা* সুবিধা লিখা।

22. What do you understand by the problem of double counting ? Explain the need for avoiding double counting in the estimation of national income. 2+2=4

দ্বৈত গণনাৰ সমস্যা বুলিলে কি বুজা? জাতীয় আয় গণনাৰ ক্ষেত্ৰত দ্বৈত গণনা পৰিহাৰ কৰাৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰা।

23. It is planned to make a new investment of Rs. 1000 crores in an economy. How much will be the increase in National Income if MPS is 0·4 ? 4

এটি অৰ্থব্যৱস্থাত নতুনকৈ 1000 কোটি টকা বিনিয়োগ কৰাৰ পৰিকল্পনা কৰা হৈছে। যদি MPS = 0·4 হয়, তেন্তে জাতীয় আয় কিমান পৰিমাণে বৃদ্ধি হ'ব?

24. What is investment ? Distinguish between gross investment and net investment. 2+2=4

বিনিয়োগ কি? মুঠ বিনিয়োগ আৰু শুদ্ধ বিনিয়োগৰ মাজৰ পাৰ্থক্য দেখুওৱা।

25. Explain *two* functions operated through government revenue and expenditure measures. 4

চৰকাৰী ৰাজহ আৰু ব্যয় ব্যৱস্থাৰে সাধিত *দুটা* কাৰ্য ব্যাখ্যা কৰা।

26. Explain the concepts of autonomous and accommodating transactions of balance of payments. 4

লেন-দেনৰ সমতাৰ স্বনিৰূপিত আৰু প্ৰণোদিত লেন-দেনৰ ধাৰণা *দুটা* ব্যাখ্যা কৰা।

***OR / অথবা***

What do you mean by disequilibrium in balance of payment (BOP) ? Mention *any two* causes of adverse BOP of a country.

লেনদেনৰ ভাৰসাম্যহীনতা বুলিলে কি বুজা? এখন দেশৰ প্ৰতিকূল লেনদেনৰ সমতাৰ *দুটা* কাৰণ উল্লেখ কৰা।

27. From the following data, find out personal income and personal disposable income. 4+2=6

তলৰ তথ্যৰ পৰা ব্যক্তিগত আয় আৰু ব্যক্তিগত ব্যয়যোগ্য আয় নিৰ্ণয় কৰা।

Rs. in crore (কোটি টকাত)

(i) NDP at factor cost ........ 9,000
উপাদান ব্যয়ত নিওটি ঘৰুৱা উৎপাদন

(ii) Net factor income from abroad ........ 150
বিদেশৰ পৰা নিওটি উপাদান আয়

(iii) Undistributed profit ........ 500
অবিতৰিত লাভ

(iv) Corporate Tax ........ 600
নিগম কৰ

(v) Interest received by household ........ 1,200
পৰিয়ালে অৰ্জন কৰা সুদ

(vi) Interest paid by household ........ 1,000
পৰিয়ালে প্ৰদান কৰা সুদ

(vii) Transfer income ........ 400
হস্তান্তৰিত আয়

(viii) Personal tax ........ 600
ব্যক্তিগত কৰ

***OR / অথবা***

Explain the income method of calculating GDP.

মুঠ ঘৰুৱা উৎপাদন গণনাৰ আয় পদ্ধতিটো ব্যাখ্যা কৰা।

28. Briefly explain *any four* functions of a commercial bank. 6

বাণিজ্যিক বেংকৰ *যিকোনো চাৰিটা* কাৰ্য্য চমুকৈ ব্যাখ্যা কৰা।

***OR / অথবা***

Explain *three* instruments of credit control used by the central bank.

কেন্দ্ৰীয় বেংকে ব্যৱহাৰ কৰা ঋণ নিয়ন্ত্ৰণৰ *তিনিবিধ* সঁজুলি ব্যাখ্যা কৰা।

—— × ——